**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ২০২৬ বৰ্ষৰ বাবে ৬৬ গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰে।

২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে গোলকীয় প্ৰত্যাহ্বান সত্তেও দেশৰ অৰ্থনীতি সুস্থিৰ হৈ আছে বুলি উল্লেখ কৰিছে।

৩। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই এতিয়ালৈকে দেশত কোনো লোক ইবোলাৰ দ্বাৰা সংক্ৰমিত হোৱা নাই বুলি স্পষ্ট কৰি দিছে।

৪। ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি তৃতীয় দিনা সদনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হয়। ***আৰু***

৫। মেঘালয়ৰ উমৰৈত পোনপ্ৰথমবাৰৰ বাবে আন্তৰাষ্ট্ৰীয় যুঁটীয়া সেনা অনুশীলন **প্ৰগতি ২০২৬** ৰ আয়োজন কৰা হৈছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ২০২৬ বৰ্ষৰ বাবে ৬৬ গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰে। আজিৰ অনুষ্ঠানত দুটা পদ্ম বিভূষণ, ছটা পদ্মভূষণ আৰু ৫৮টা পদ্মশ্ৰী বঁটা প্ৰদান কৰা হয়। কলা শিতানত বিশিষ্ট অভিনেতা ধৰ্মেন্দ্ৰ সিঙ দেউললৈ মৰনোত্তৰভাৱে পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। প্ৰয়াত অভিনেতাগৰাকীৰ পত্নী তথা লোকসভাৰ সাংসদ হেমা মালিনীয়ে বঁটা গ্ৰহণ কৰে। কিংবদন্তি ভায়োলিন বাদক ড০ এম ৰাজমকো পদ্ম বিভূষণ বঁটা প্ৰদান কৰা হয়। উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ভগত সিং কোছিয়াৰী, শিল্পী শতৰধনি ড০ আৰ গণেশ, উদ্যোগপতি উদয় সুৰেশ কুমাৰ কোটক আৰু চিকিৎসক ডাঃ কল্লিপাট্টি ৰামাস্বামী পলেইস্বামীলৈও পদ্মভূষণ বঁটা প্ৰদান কৰা হয়। ভাৰতীয় মহিলা ক্ৰিকেট টীমৰ অধিনায়ক হৰমনপ্ৰীত কৌৰ, শিল্পী তগাৰাম ভিল, স্বামী ব্ৰহ্মদেৱকে ধৰি বিশিষ্ট ব্যক্তিসকলক পদ্মশ্ৰী বঁটা প্ৰদান কৰা হয়।

অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ বাবে ৫ গৰাকী ব্যক্তিৰ নাম পদ্ম বিভূষণ বঁটাৰ বাবে, ১৩ গৰাকীৰ নাম পদ্ম ভূষণ আৰু ১১৩ গৰাকী ব্যক্তিৰ নাম পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ১৩১ গৰাকী ব্যক্তিৰ নাম পদ্ম বঁটাৰ বাবে বাছনি কৰা হৈছে। বাকী থকা ব্যক্তিসকলক এই অনুষ্ঠানৰ দ্বিতীয় পৰ্যায়ত পদ্ম বঁটাসমূহ প্ৰদান কৰা হ'ব। প্ৰতিবছৰে গণৰাজ্য দিৱসত পদ্ম বঁটাপ্ৰাপকসকলৰ নাম ঘোষণা কৰা হয়।

এইবাৰ অসমৰ পাঁচগৰাকী ব্যক্তিলৈ পদ্ম সন্মান আগবঢ়োৱা হৈছে। ইয়াৰে কলাৰ ক্ষেত্ৰত হৰিচৰণ শইকীয়া, পখিলা লেকথেপি আৰু নুৰুদ্দিন আহমেদলৈ, কৃষিক্ষেত্ৰত যোগেশ দেউৰীলৈ আৰু ৰাজহুৱা পৰিক্ৰমাত মৰণোত্তৰভাৱে কবিন্দ্ৰ পুৰকায়স্থলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

ooooo

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে পশ্চিম এছিয়াত চলি থকা সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত ইন্ধন, সাৰ আৰু বিদেশী মুদ্ৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে ভাৰতৰ অৰ্থনীতি সুস্থিৰ হৈ আছে। শ্ৰীমতী সীতাৰমনে আজি মুম্বাইত লঘু উদ্যোগ বিকাশ বেংকৰ ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ পৰিচিতি যন্ত্ৰ, শক্তিশালী কৰা, গ্ৰাম্য উদ্যোগসমূহৰ আধুনীকিকৰণ ক্ষীপ্ৰ কৰি তোলাৰ উদ্দেশ্যে কেইবাটাও পোৰ্টেল আৰু উদ্যম মুকলি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে গোলকীয় প্ৰত্যাহ্বান সত্তেও ঘৰুৱা বিকাশ সুৰক্ষিত কৰাৰ বাবে ভাৰতে নীতিগত প্ৰক্ৰিয়াৰ ক্ষেত্ৰত অতি সাৱধানে আগবাঢ়িছে। তেওঁ কয় যে খাৰুৱা তেলৰ বৰ্ধিত মূল্যৰ উপৰিও সাৰৰ মূল্যও অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। ইপিনে, সোণৰ বৰ্ধিত মূল্যই প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। তেওঁ কয় যে ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰখনত ৮ লাখ কোটিতকৈ অধিক টকা আদায় দিয়াত পলম হোৱা বাবে উদ্যোগটোৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ পৰিছে।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই ইবোলা ভাইৰাছ প্ৰতিৰোধৰ বাবে প্ৰস্তুতি আৰু নিৰীক্ষণ ব্যৱস্থা সন্দৰ্ভত আজি নতুন দিল্লীত এখন পৰ্যালোচনা বৈঠকত ভাগ লয়। মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে হোৱা এই বৈঠকত শ্ৰীনাড্ডাই বিমান বন্দৰ, জাহাজ বন্দৰ আৰু সীমান্ত অঞ্চলত প্ৰৱেশ স্থানসমূহত ইবোলা পৰীক্ষণ ব্যৱস্থা কটকটীয়া কৰাৰ নিৰ্দেশ দিছে। তেওঁ বিষয়াসকলক এই ক্ষেত্ৰত তীক্ষ্ণ  দৃষ্টি ৰখাৰ বাবে নিৰ্দেশ দিছে। শ্ৰীনাড্ডাই ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ আৰু ৰাষ্ট্ৰীয় ৰোগ নিয়ন্ত্ৰণ কেন্দ্ৰসমূহক নিৰীক্ষণ, পৰীক্ষণৰ ক্ষেত্ৰত সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে নিৰ্দেশনা দিছে। উল্লেখযোগ্য যে বিশ্ব স্বাস্থ্য সংস্থাই ইবোলা সংক্ৰমনক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ জৰুৰীকালীন স্বাস্থ্যৰ উদ্বেগজনক পৰিস্থিতি বুলি ঘোষণা কৰিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীয়ে এতিয়ালৈকে দেশত কোনো লোক  ইবোলাৰ দ্বাৰা সংক্ৰমিত হোৱা নাই বুলি স্পষ্ট কৰি দিছে। অৱশ্যে সাৱধানতামূলক ব্যৱস্থা হিচাপে সকলো প্ৰস্তুতি কৰি থকা হৈছে। শ্ৰীনাড্ডাৰ নিৰ্দেশমৰ্মে স্বাস্থ্য সচিবেও বিভিন্ন মন্ত্ৰালয় আৰু সংস্থাৰ প্ৰতিনিধিৰ সৈতে এখন যুটীয়া পৰ্যালোচনা বৈঠকত মিলিত হয়।

ooooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি হিমাচল প্ৰদেশত এহেজাৰ ৯৪৭ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ  মান আৰু ব্যৱস্থাপনাৰ অগ্ৰগতিৰ বুজ লয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীগাডকাৰীয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ কাম-কাজ খৰতকীয়া কৰা, উন্নত মানৰ কাম-কাজ নিৰীক্ষণ আৰু উন্নত বাট পথৰ বাবে আধুনিক নিৰ্মাণ পদ্ধতি ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ যোগাযোগ ব্যৱস্থা বিশেষকৈ দেশৰ মুখ্য ক'ৰিডৰসমূহৰ মাজত যোগাযোগ ব্যৱস্থা শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক বাৰিষা কালত হব পৰা সমস্যা বিশেষকৈ নলা নৰ্দমা ব্যৱস্থাপনা, হেলনীয়া ঠাইসমূহৰ সুৰক্ষা ব্যৱস্থা আৰু যাত্ৰীসকলৰ সুৰক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে শ্ৰীগাডকাৰীয়ে ৰাজস্থানত ১০ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মান আৰু ব্যৱস্থাপনা অগ্ৰগতিৰো পৰ্যালোচনা কৰে। বৈঠকত শ্ৰীগাডকাৰীয়ে নিৰ্ধাৰিত

সময়ৰ ভিতৰত কামসমূহ সমাপ্ত কৰাৰ লগতে দীৰ্ঘম্যাদি আৰু উন্নত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে আধুনিক প্ৰযুক্তি ব্যৱহাৰৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত পথ পৰিবহন আৰু ঘাইপথ ৰাজ্যমন্ত্ৰী অজয় টামতা, হৰ্ষ মলহোত্ৰা, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়া আৰু কেইবাগৰাকী মন্ত্ৰীয়ে ভাগ লয়।

ooooo

যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি তৃতীয় দিনা সদনত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ মন্ত্ৰী অতুল বৰাই এই বিধেয়ক উত্থাপন কৰে। এই বিধেয়কৰ জৰিয়তে বহুবিবাহ নিষিদ্ধ কৰাৰ লগতে লিভ-ইন সম্পৰ্কত থকা লোকসকলৰ ক্ষেত্ৰত পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈ বিচৰা হৈছে। অৱশ্যে ৰাজ্যখনত বসবাস কৰি থকা অনুসূচিত জনজাতিৰ লোকসকলক এই বিধেয়কে সামৰি নল'ব। বিবাহৰ ক্ষেত্ৰত পুৰুষৰ ন্যূনতম বয়স ২১ বছৰ আৰু মহিলাৰ ক্ষেত্ৰত ১৮ বছৰ নিৰ্ধাৰণ কৰাৰ লগতে বহুবিবাহ নিষিদ্ধ কৰিবলৈ বিচৰা হৈছে। আনহাতে আইনী অধিকাৰৰ সুৰক্ষা প্ৰদানৰ উদ্দেশ্যে এই বিধেয়কত বিবাহ আৰু বিবাহ বিচ্ছেদৰ পঞ্জীয়ন বাধ্যতামূলক কৰিবলৈকো বিচৰা হৈছে।

ooooo

মনোৰঞ্জন আৰু আতিথ্য সম্পৰ্কিত কোনো ধৰণৰ কাম-কাজত  যাতে শিশু শ্ৰমিক নিয়োগ কৰা নহয় সেই সম্পৰ্কে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে  কেন্দ্ৰীয় চৰকাৰলৈ এখন জাননী জাৰি কৰিছে। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাকচি আৰু ন্যায়াধীশ বিপুল এম পঞ্চৌলীৰে গঠিত ৩ জনীয়া বিচাৰপীঠে কেইবাখনো শিশু অধিকাৰ সমিতিয়ে ঐক্যবদ্ধ কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি এই পদক্ষেপ লৈছে। উল্লেখযোগ্য যে ১৮ বছৰ বয়সৰ তলৰ শিশুসকলক অৰকেষ্ট্ৰা, পেচাদাৰী নৃত্য দল, মাচাজ পাৰ্লাৰ, স্পা আৰু চেলুন আদিত পৰিবেশন বা নিযুক্তি দুয়োটাকে শিশু আৰু কিশোৰ শ্ৰমিক প্ৰতিৰোধী আৰু নিয়ন্ত্ৰণ বিধেয়ক চমুকৈ কালপ্ৰা এক্টৰ আওতালৈ অনাৰ বাবে কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশনা দিয়াৰ অনুৰোধেৰে আবেদনকাৰীয়ে উচ্চতম ন্যায়ালয়ত এই আবেদন দাখিল কৰিছে।

ooooo

মেঘালয়ৰ উমৰৈত পোনপ্ৰথমবাৰৰ বাবে আন্তৰাষ্ট্ৰীয় যুটীয়া সেনা অনুশীলন **প্ৰগতি ২০২৬** ৰ আয়োজন কৰা হৈছে। বন্ধুত্বপূৰ্ণ সম্পৰ্ক থকা ১২ খন ৰাষ্ট্ৰৰ ৪০০ তকৈ অধিক সেনা বাহিনীৰ জোৱানে এই অনুশীলনত ভাগ লৈছে। যোৱা ২০ তাৰিখৰ পৰা আৰম্ভ হোৱা এই অনুশীলনে আঞ্চলিক শান্তি, সুৰক্ষা আৰু সহযোগিতাৰ ক্ষেত্ৰত থকা পাৰস্পৰিক প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰিছে। এই অনুশীলনত ভূটান, কম্বোদিয়া, ইন্দোনেছিয়া, লাওচ, মালেয়েছিয়া, মালদ্বীপ, ম্যানমাৰ, নেপাল, ফিলিপাইনছ, শ্ৰীলংকা, ভিয়েটনাম আদিৰ সেনাই যোগদান কৰিছে। এই অনুশীলনৰ সময়ত সেনা বাহিনীয়ে অঞ্চলটোৰ মধ্যমীয়া উচ্চতাৰ পাহাৰ আৰু অৰণ্য অঞ্চলত কঠোৰ অনুশীলন অব্যাহত ৰাখিছে। অংশগ্ৰহণকাৰীসকলৰ মাজত যাতে কাৰ্যকৰী দক্ষতা, আত্মবিশ্বাস, কৰ্মক্ষেত্ৰত ভাল প্ৰদৰ্শনৰ মনোভাৱ গঢ় লৈ উঠে তাৰ বাবে স্নাইপাৰ আৰু এ কে 203 ৰ দৰে অত্যাধুনিক অস্ত্ৰ শস্ত্ৰৰে গুলিচালনাৰ প্ৰতিযোগিতাও অনুষ্ঠিত হৈছে। অনুশীলনৰ অংশ হিচাপে বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতাও অনুষ্ঠিত হৈছে।

ooooo

ইৰানৰ সৰ্বোচ্চ নেতা মোজতাবা খামেইনিয়ে এটা অতিশয় গোপন স্থানত অত্যন্ত নিয়ন্ত্ৰিত যোগাযোগ ব্যৱস্থাৰ মাজত সংগোপনে বাস কৰি আছে বুলি আমেৰিকাৰ চোৰাংচোৱা বিষয়াসকলৰ প্ৰতিবেদনত প্ৰকাশ পাইছে।

বাতৰিটোৰ মতে সৰ্বোচ্চ নেতাগৰাকীৰ ওচৰলৈ প্ৰয়োজনীয় বাৰ্তাসমূহ নিৰ্দিষ্ট নেটৱৰ্কৰ জৰিয়তে প্ৰেৰণ কৰা হয়। ইয়াৰ ফলত ইৰান চৰকাৰৰ যোগাযোগ ব্যৱস্থা বিলম্বিত হোৱাৰ লগতে আমেৰিকাৰ সৈতে দেশখনৰ আলাপ-আলোচনাৰ গতিও মন্থৰ হৈ পৰা বুলি চোৰাংচোৱাৰ প্ৰতিবেদনত প্ৰকাশ কৰা হৈছে।

আমেৰিকাৰ বিষয়াসকলে লগতে এইবুলিও দাবী কৰে যে ইৰানৰ অভ্যন্তৰৰ ভূভাগৰ পৰা আহৰণ কৰা তথ্যৰ সহায়তেই আমেৰিকা আৰু ইজৰাইলৰ সশস্ত্ৰ বাহিনীয়ে অপাৰেচন এপিক ফিউৰিৰ সময়ত ইৰানৰ জ্যেষ্ঠ নেতাক লক্ষ্য হিচাপে ল'বলৈ সমৰ্থ হৈছিল। দেশখনৰ বৰ্তমানৰ সৰ্বোচ্চ নেতা মোজতাবা খামেইনি শেহতীয়া এটা আক্ৰমণৰ ঘটনাত আহত হোৱা বুলি উল্লেখ কৰি প্ৰতিবেদনখনত লগতে ইয়াকো কোৱা হৈছে যে সেইসময়ৰ পৰাই তেওঁ অত্যধিক নিৰাপত্তা ব্যৱস্থাৰ মাজত আছে। সংঘাতৰ আৰম্ভণিৰ সময়ৰপৰাই তেওঁক ৰাজহুৱা স্থানত দেখিবলৈ পোৱা হোৱা নাই বুলিও মাৰ্কিন চোৰাংচোৱা সূত্ৰই প্ৰকাশ কৰে।

ooooo

ঃঃ সমাপ্ত ঃঃ